দ্বিতীয় অধ্যায়

# অসমৰ জনসংখ্যা আৰু ইয়াৰ বৈশিষ্ট্য

**প্ৰয়োজনীয় তথ্য**

- ২০১১ চনৰ লোকপিয়ল অনুসৰি জনসংখ্যা (ভাৰতৰ মুঠ জনসংখ্যাৰ ২.৫৯ শতাংশ) ঃ ৩১,২০,৫৫৭৬
- জনবসতিৰ ঘনত্ব ঃ ৩৯৮ প্ৰতি বৰ্গ কিঃ মিঃ
- গ্ৰাম্য অঞ্চলৰ জনসংখ্যা ঃ ৮৬ শতাংশ
- নগৰ অঞ্চলৰ জনসংখ্যা ঃ ১৪ শতাংশ
- লিংগ গাঁথনি (প্ৰতি হেজাৰ পুৰুষত) ঃ ৯৫৮ গৰাকী মহিলা
- সাক্ষৰতাৰ হাৰ ঃ ৭২.১৯ শতাংশ
- পুৰুষৰ হাৰ ঃ ৭৭.৮৪ শতাংশ
- মহিলাৰ হাৰ ঃ ৬৬.২৭ শতাংশ
- নগৰৰ সংখ্যা ঃ ২১৪ খন
- গাঁও ঃ ২৬৩৯৫ খন
- জিলাৰ সংখ্যা ঃ ৩৩ খন

DAILY ASSAM

এটা অঞ্চলৰ জনসংখ্যা, ইয়াৰ বৈশিষ্ট্য আৰু বিতৰণ ব্যৱস্থাই অঞ্চলটোৰ অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত উন্নতি বহু পৰিমাণে নিৰূপণ কৰে। সেইবাবেই এখন দেশ বা ৰাজ্যৰ প্ৰতিটো অঞ্চলতে জনসংখ্যা, বৃদ্ধিৰ হাৰ, ঘনত্ব, বিতৰণ আৰু অন্যান্য বৈশিষ্ট্য যথেষ্ট গুৰুত্ব সহকাৰে অধ্যয়ন কৰা হয়।

**অসমৰ জনসংখ্যা, ইয়াৰ বৃদ্ধি আৰু বিকাশ ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত অৱস্থিত অসম প্ৰদেশৰ জনসংখ্যাৰ বৃদ্ধি আৰু বৈশিষ্ট্যসমূহ বিভিন্ন কাৰণত গুৰুত্বপূৰ্ণ। এই প্ৰদেশখনত জনসংখ্যাৰ তথ্য প্ৰথমে ১৮৩০ চনত এজন বৃটিছ বিষয়াৰ দ্বাৰা অধ্যয়ন কৰি মুঠ ১১ লাখ বুলি থিৰাং কৰা হৈছিল। ইয়াৰ পিছত ১৮৭২ চনত প্ৰথম লোকপিয়লত মুঠ জনসংখ্যা ২২ লাখ বুলি ঘোষণা কৰা হয়। বৰ্তমান সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ৭৫ শতাংশ লোক ইয়াতে বাস কৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল অঞ্চলটোত সমতল ভূমি, অসংখ্য নৈৰ পাৰৰ সাৰুৱা কৃষিভূমি, সুন্দৰ জলবায়ু, উন্নত আন্তঃগাঁথনি আৰু উচ্চ হাৰত নগৰীকৰণ। এনেবোৰ কাৰণতে অসমলৈ হোৱা জনপ্ৰব্ৰজনৰ হাৰ অধিক। ইয়াকে স্থায়ী প্ৰব্ৰজন বোলে। ইয়াৰ ফলত ৰাজ্যখনৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ অত্যধিক হোৱাৰ উপৰিও জনগাঁথনিও পৰিৱৰ্তিত হৈছে।

তালিকা—১

| বছৰ | জনসংখ্যা (লাখত) | | জনবসতিৰ ঘনত্ব (প্ৰতি বঃ কিঃ মিঃ) | | শতকৰা বৃদ্ধিৰ হাৰ | |
|---|---|---|---|---|---|---|
| | অসম | ভাৰত | অসম | ভাৰত | অসম | ভাৰত |
| ১৯০১ | ৩৩ | ২৩৮৪ | ৪২ | ৭৭ | — | — |
| ১৯১১ | ৩৮ | ২৫২১ | ৪৯ | ৮২ | ১৭.০ | ৫.৮ |
| ১৯২১ | ৪৬ | ২৫১৩ | ৫৯ | ৮১ | ২০.৫ | ০.৩ |
| ১৯৩১ | ৫৬ | ২৭৮৯ | ৭১ | ৯০ | ১৯.৯ | ১১.০ |
| ১৯৪১ | ৬৭ | ৩১৮৬ | ৮৫ | ১০৩ | ২০.৪ | ১৪.২ |
| ১৯৫১ | ৮০ | ৩৬১১ | ১০২ | ১১৭ | ১৯.৯ | ১৩.৩ |
| ১৯৬১ | ১০৮ | ৪৩৯২ | ১৩৮ | ১৪২ | ৩৫.০ | ২১.৫ |
| ১৯৭১ | ১৪৬ | ৫৪৮১ | ১৮৬ | ১৭৭ | ৩৫.০ | ২৪.৮ |
| ১৯৮১ | ১৮০(আ.) | ৬৮৩৩ | ২৩০ | ২৩০ | ২৩.৪ | ২৪.৭ |
| ১৯৯১ | ২২৪ | ৮৪৬৩ | ২৮৬ | ২৬৭ | ২৪.২ | ২৪.৭ |
| ২০০১ | ২৬৬ | ১০,২৭০ | ৩৪০ | ৩২৫ | ১৮.৯ | ২১.৫ |
| ২০১১ | ৩১২ | ১২,১০৬ | ৩৯৮ | ৩৬৮ | ১৭.১ | ১৭.৭ |

উৎস = Census of India - 2011,Govt of India.

আমাৰ দেশৰ প্ৰতি দহ বছৰৰ অন্তৰত অনুষ্ঠিত হোৱা লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ অধিক (তালিকা ১)। ইয়াৰ প্ৰধান কাৰণ হ'ল জন্মৰ হাৰ বৃদ্ধি আৰু মৃত্যুৰ হাৰ হ্ৰাস হোৱাৰ লগতে এই অঞ্চলটোলৈ হোৱা আন্তঃৰাজ্যিক আৰু আন্তৰ্জাতিক প্ৰব্ৰজনৰো হাৰ অধিক।

অসম প্ৰদেশখন অতীততে ঘন অৰণ্য আৰু লগতে পাহাৰে আগুৰি থকাৰ বাবে জনবসতি উত্তৰ ভাৰতৰ অন্যান্য ঠাইৰ তুলনাত যথেষ্ট কম আছিল। পিছলৈ লাহে লাহে সাৰুৱা মাটি, অসংখ্য নদ-নদী আৰু সুন্দৰ জলবায়ুৰ বাবে বিভিন্ন সময়ত বাহিৰৰ পৰা বিভিন্ন জনগোষ্ঠীৰ প্ৰব্ৰজন এই অঞ্চললৈ হ'ব ধৰে, ইয়াৰ প্ৰধান গোটটো আহিছিল পাটকাই পৰ্বতৰ দক্ষিণ-পূব বাটেৰে, এওঁলোকেই বিখ্যাত আহোম জনজাতিৰ লোক যিসকলে আমাৰ দেশখন একগোট কৰি প্ৰায় ৬০০ বছৰ কাল সুখ্যাতিৰে ৰাজত্ব কৰিছিল। এওঁলোকৰ পিছত টাই বৌদ্ধ জনগোষ্ঠী, তিব্বত বৰ্মীয় জনগোষ্ঠী, ইণ্ড এচিয়ান গোষ্ঠী আদিৰ লোক এই প্ৰদেশলৈ আহি বিভিন্ন ঠাইত বাস কৰিবলৈ লয়।

অসমলৈ হোৱা দ্বিতীয় গুৰুত্বপূৰ্ণ জন প্ৰব্ৰজন হ'ল বৃটিছৰ শাসন কালত ১৮২৬ চনৰ সময়ছোৱাত এই কালছোৱাত কুকি, চিংফৌ আদি জনজাতিৰ লোক আৰু ১৮৫৫ চনৰ সময়ছোৱাত মুণ্ডা, চাওতাল আৰু গণ্ড জনগোষ্ঠীৰ লোকৰ বিশেষকৈ অসমলৈ আগমন হয়। এই জনজাতীয় লোকসকলক প্ৰধানকৈ আমাৰ চাহ বাগান আৰু কিছু সংখ্যকক খনি অঞ্চলত বনুৱা হিচাপে কাম কৰিবলৈ নিয়োগ কৰা হৈছিল।

অসমলৈ তৃতীয় গুৰুত্বপূৰ্ণ প্ৰব্ৰজনটো স্বাধীনতা লাভৰ পিছত হয়। এই সময়ছোৱাত তেতিয়াৰ পূব পাকিস্তানৰ ভগনীয়া আৰু অন্যান্য লোকৰ এক বৃহৎ সংখ্যক গোটক আমাৰ মুকলি খেতিৰ উপযোগী মাটিত সংস্থাপিত কৰা হয়। তেতিয়াৰ ৰাজনৈতিক নেতাসকল এনে প্ৰব্ৰজনক যথেষ্ট উৎসাহিত কৰিছিল। ইয়াৰ পিছৰ সময়ছোৱাত এই প্ৰব্ৰজন বিশেষকৈ বিহাৰ, উত্তৰ প্ৰদেশ, উৰিষ্যা, পাঞ্জাব আৰু পশ্চিমবঙ্গ আৰু দাঁতিকাষৰৰ নেপালৰ পৰা হোৱা পৰিলক্ষিত হৈছিল। ১৯৬১ চনৰ লোকপিয়ল অনুসৰি অসমলৈ হোৱা প্ৰব্ৰজনত প্ৰায় ১৩ লাখ লোকক সংস্থাপিত কৰা হয়। ইয়াৰে ৫ লাখ ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আৰু ৮ লাখ চুবুৰীয়া ৰাজ্যৰ। এনে জনপ্ৰব্ৰজনৰ বাবেই অসমত জনবসতিৰ ঘনত্ব সৰ্বভাৰতীয়ৰ তুলনাত ১৯৭১ চনলৈকে অধিক হাৰত বৃদ্ধি হৈছে।

অসমলৈ জনপ্ৰব্ৰজন অধিক হাৰত হোৱাৰ প্ৰধান কাৰণ হ'ল অৰ্থনৈতিক। স্বাধীনতাৰ পিছৰে পৰা ৰাজ্যখনত চাহ, তেল আৰু অন্যান্য সৰু-সুৰা উদ্যোগৰ সম্প্ৰসাৰণ আৰু কয়লাখনি, ইটা ভাটা, আন নিৰ্মাণ কাৰ্যৰ বৃদ্ধিৰ ফলত বনুৱাৰ প্ৰয়োজনো বৃদ্ধি হয়। এই প্ৰয়োজনৰ প্ৰায় ৮০ শতাংশই বাহিৰৰ লোকৰ দ্বাৰা পূৰণ হয় বুলি ক'লেও বঢ়াই কোৱা নহ'ব। বিশেষকৈ আমাৰ চাহ উদ্যোগটো এনেকৈ বাহিৰৰ পৰা অহা বনুৱাৰ দ্বাৰাই পৰিচালিত। এনে ধৰণৰ স্থায়ী প্ৰব্ৰজনবোৰে স্বাধীনতা লাভৰ পিছৰ পৰাই অসমৰ জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।

**জনসংখ্যাৰ ঘনত্ব** ঃ এটা অঞ্চলৰ জনসংখ্যাক খাদ্য-বসতি আদিৰ যোগান ধৰিবলৈ মাটিৰ এক বিশেষ ক্ষমতা থাকে। এই ক্ষমতা সীমাবদ্ধ। সেইবাবে মাটিৰ তুলনাত সেই অঞ্চলত কিমান মানুহ আছে তাক জোখা হয়। মাটিৰ আয়তন আৰু মানুহৰ সংখ্যাৰ মাজৰ এই অনুপাতকে জনসংখ্যাৰ ঘনত্ব বোলা হয়।

DAILY ASSAM

ইয়াক প্ৰতি বৰ্গ কিঃ মিঃ জোখত নিৰূপণ কৰা হয়।

> [illegible] = ৫০০০ জন/১০০ বঃ কিঃ মিঃ = ৫০ জন [illegible] প্ৰতি বঃ কিঃ মিঃ।

আমাৰ ৰাজ্যৰ যিবোৰ অঞ্চলত জনপ্ৰব্ৰজনৰ হাৰ অধিক, সেইবোৰ জিলাৰ জনবসতিৰ ঘনত্ব অধিক। উদাহৰণ স্বৰূপে ধুবুৰী (৮৯৬), বৰপেটা (৭৪২), নলবাৰী (৭৩৩), নগাঁও (৭১১), কৰিমগঞ্জ (৬৭৯) আৰু কামৰূপ মেট্ৰ' (১৩১৩) জিলাত জনবসতিৰ ঘনত্ব ৰাজ্যৰ গড় জনবসতিৰ ঘনত্বতকৈ অধিক (ৰাজ্যৰ জনবসতিৰ গড় ঘনত্ব ৩৯৮ জন প্ৰতি বৰ্গ কিলোমিটাৰ)। দেশৰ ভিতৰত জনবসতিৰ ঘনত্বৰ ক্ষেত্ৰত অসমৰ স্থান ১৫ সংখ্যক।

অসমৰ একেবাৰে কম জনসংখ্যাৰ ঘনত্বৰ ৰাজ্যকেইখন প্ৰধানকৈ পাহাৰীয়া আৰু নৈৰ দাঁতিৰ বানপানী অধ্যুষিত অঞ্চল। বিশেষকৈ ডিমা হাচাও (৪৪) সংযুক্ত কাৰ্বি আংলং (৯২) আৰু ধেমাজি জিলাত (২১২) জনবসতিৰ ঘনত্ব তুলনামূলকভাৱে কম। ইয়াৰ বিপৰীতে যিবোৰ ৰাজ্যত নগৰৰ সংখ্যা অধিক, উদ্যোগ আদি গঢ়ি উঠিছে আৰু গ্ৰাম্য অঞ্চলত কৃষিত উপযোগী সাৰুৱা মাটি যথেষ্ট, তেনে ৰাজ্যকেইখনতো জনবসতি ঘনত্ব অধিক। কাছাৰ (৪৪৯), হাইলাকান্দি (৪৯৭), লখিমপুৰ (৪৫৮), ওদালগুৰি (৪৩১), কামৰূপ (৪৮৯) আৰু বঙাইগাঁও (৬৭৬) এনে জিলা য'ত জনবসতিৰ ঘনত্ব ৰাজ্যৰ গড় ঘনত্বতকৈ অধিক।

**ধৰ্মীয় গাঁথনি ঃ** ভাৰতৰ অন্যান্য প্ৰায়বোৰ ৰাজ্যৰ লেখীয়া অসমতো সংখ্যাগৰিষ্ঠ লোক হিন্দু ধৰ্মাৱলম্বী। অৱশ্যে অঞ্চলবিশেষে, বিশেষকৈ অধিক জনবসতিত ঘনত্বযুক্ত জিলাকেইখনত মুছলমান ধৰ্মাৱলম্বী লোকৰ সংখ্যা আৰু বৃদ্ধিৰ হাৰ অধিক হোৱা দেখা যায়। এই জিলাকেইখন হ'ল ধুবুৰী, গোৱালপাৰা, নগাঁও, বৰপেটা আৰু দৰং। এয়া প্ৰধানকৈ চুবুৰীয়া বাংলাদেশৰ পৰা হোৱা অধিক হাৰৰ প্ৰব্ৰজনৰ ফলতেই হৈছে। ২০০১ চনৰ তুলনাতো অসমত ২০১১ চনত ধৰ্মীয় গাঁথনিত যথেষ্ট পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে।

তালিকা—২

| ধৰ্ম | জনসংখ্যা (শতাংশত) | |
|---|---|---|
| | ২০০১ | ২০১১ |
| হিন্দু | ৮০.০৫ | ৬১.৪৭ |
| মুছলমান | ১৩.০৪ | ৩৪.২২ |
| খ্ৰীষ্টিয়ান | ২.৩ | ৩.৭৪ |
| শিখ | ১.৯ | ০.০৭ |
| বৌদ্ধ | ০.৮ | ০.১৮ |
| জৈন | ০.৪ | ০.০৪ |
| অন্যান্য | ০.৬ | ০.০৯ |
| উত্তৰ দিবলৈ অনিচ্ছুক | ০.১ | ০.১৬ |

**লিঙ্গ গাঁথনি (Sex Composition) ঃ**

জনসংখ্যাৰ মহিলা আৰু পুৰুষৰ অনুপাতৰ দ্বাৰাও এখন দেশৰ জনসংখ্যাৰ গঠনৰ নিৰূপণ হয়। এই অনুপাত প্ৰতি এহেজাৰজন পুৰুষৰ বিপৰীতে থকা মহিলাৰ সংখ্যাৰ দ্বাৰা দেখুওৱা হয় আৰু ইয়াক জনসংখ্যাৰ লিঙ্গ অনুপাত বোলে। যেনে = মহিলাৰ সংখ্যা/পুৰুষৰ সংখ্যা × ১০০০

লিঙ্গ অনুপাতৰ দ্বাৰা এটা অঞ্চলত থকা মহিলাৰ মৰ্যাদা বা সন্মান নিৰূপণ কৰা যায়। উন্নত দেশবোৰত মহিলাৰ শিক্ষাৰ হাৰ বেছি, তেওঁলোক স্বাস্থ্যৱান আৰু লগতে স্বাৱলম্বী, গতিকে মহিলাৰ মৃত্যুৰ হাৰো কম। লিঙ্গ অনুপাতৰ হাৰ কম উন্নয়নশীল দেশত মহিলাৰ আৰ্থ-সামাজিক মৰ্যাদা কম, শিক্ষা আৰু স্বাৱলম্বিতা নিম্ন হাৰৰ আৰু স্বাস্থ্য সুৰক্ষিত নহয় বাবে মৃত্যুৰ হাৰ বেছি। এনেবোৰ দেশত শিশু-কন্যা আৰু গৰ্ভৱতী মাতৃৰ মৃত্যুৰ হাৰ বেছি হোৱাৰ বাবেও লিঙ্গ অনুপাত কম। লগতে গৰ্ভতে কৰা কন্যা ভ্ৰূণ আৰু শিশু কন্যা হত্যাৰ ঘটনা আছেই। এনেবোৰ কাৰণতে ভাৰতবৰ্ষৰ কিছুমান প্ৰদেশ (চৌদি আৰৱত প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৫০০তকৈ কম) আৰু বিশ্বৰ কিছুমান দেশত মহিলাৰ লিঙ্গৰ অনুপাত যথেষ্ট কম।

মহিলাৰ লিঙ্গ অনুপাতৰ নিম্ন হাৰৰ আন এক কাৰণ হ'ল জনপ্ৰব্ৰজনত পুৰুষৰ সংখ্যা অধিক হোৱাৰ বাবে কিছুমান অঞ্চলত যেনে নগৰসমূহত এনে হোৱা দেখা যায়। বিশেষকৈ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ মহানগৰসমূহত পুৰুষ বনুৱা আৰু কৰ্মৰত লোকৰ অধিক প্ৰব্ৰজন হোৱাৰ বাবে প্ৰায়বোৰ মহানগৰতে মহিলাৰ জনসংখ্যা পুৰুষতকৈ কম। অসমতো কামৰূপ মেট্ৰ' জিলাত লিঙ্গ অনুপাত আনবোৰ জিলাৰ তুলনাত আটাইতকৈ কম (প্ৰতি হাজাৰ পুৰুষত ৯৩৬ গৰাকী মহিলা)। আমাৰ ৰাজ্যত লিঙ্গৰ গড় অনুপাত ৯৫৮ হোৱাৰ বিপৰীতে বাক্সা (৯৭৪), ওদালগুৰি (৯৭৩), লখিমপুৰ (৯৬৮), চিৰাং (৯৬৯) আৰু গোলাঘাটত (৯৬৪) লিঙ্গ অনুপাতৰ হাৰ উচ্চ। ভাৰতবৰ্ষত অন্যান্য ৰাজ্যৰ তুলনাতো আমাৰ ৰাজ্যত শিশু কন্যাৰ হাৰ অধিক (৯৬২ গৰাকী কন্যা প্ৰতি হাজাৰ পুৰুষ শিশুৰ তুলনাত)। (তথ্য ২০১১ চনৰ লোকপিয়ল)।

**বয়সৰ সংৰচনা ঃ** এখন দেশৰ জনসংখ্যাত বিভিন্ন স্তৰৰ বয়সৰ লোক কিমান আছে তাক বয়সৰ সংৰচনাৰ দ্বাৰা জানিব পাৰি। জনসংখ্যা গঠনত ই এক প্ৰয়োজনীয় সূচক যিহেতু অধিক সংখ্যক শিশুৰ হাৰে জন্মৰ হাৰ অধিক হোৱা সূচায় আৰু ৬০ৰ ওপৰৰ কম জনসংখ্যাই মৃত্যুৰ হাৰ বয়স্কসকলৰ মাজত অধিক হোৱা সূচায়। ইয়াৰ বিপৰীতে যুৱ জনসংখ্যাৰ অধিক অনুপাতে কৰ্মঠ লোকৰ সংখ্যা সন্তোষজনক হোৱাটোকে বুজায়।

আমাৰ ৰাজ্যত ২০১১ চনৰ লোকপিয়ল অনুসৰি ০-৬ বছৰ বয়সৰ গ্ৰুপত পুৰুষ শিশুৰ সংখ্যা ২৩,৬৩,৪৮৫ আৰু শিশু কন্যাৰ সংখ্যা ২২,৭৪,৬৪৫। এই বয়সৰ শিশুৰ সংখ্যা মৰিগাঁও (১৭.১১ শতাংশ), নগাঁও (১৬.২৯), ধুবুৰী (১৮.৮৯), গোৱালপাৰা (১৭.০৩), কৰিমগঞ্জ (১৭.২৫) আৰু দৰঙত (১৬.৮৫) সৰ্বাধিক (অসমত- ১৪.৮৬ শতাংশ) আৰু কামৰূপ মেট্ৰ' (১০.০০), যোৰহাট (১১.৪১) আৰু কাছাৰত (১১.৭৯) সৰ্বনিম্ন

DAILY ASSAM

DAILY ASSAM



(২০১১ চনৰ লোকপিয়ল)। মুঠ জনসংখ্যাৰ তুলনাত যি কেইখন জিলাৰ শিশুৰ সংখ্যা অধিক, সেই আটাইকেইখন জিলাতেই জনসংখ্যা বৃদ্ধিৰ হাৰ আৰু জনবসতিৰ ঘনত্ব অধিক। অধিক সংখ্যক শিশুৰে সৈতে বৰ্ধিত জনসংখ্যাৰ এনে বৈশিষ্ট্য সকলো উন্নয়নশীল দেশতে পৰিলক্ষিত হয়।

আমাৰ ৰাজ্যত ২০১১ চনত লোকপিয়ল অনুসৰি মুঠ জনসংখ্যাৰ ৩৮ শতাংশ সক্ৰিয়ভাৱে উৎপাদনমূলক কাম-কাজত জড়িত। ইয়াকে কৰ্মৰত জনসংখ্যা (Working Population) বুলিব পাৰি। এই কৰ্মঠ জনসংখ্যাৰ অনুপাতে এখন দেশৰ উৎপাদন আৰু অৰ্থনৈতিক উন্নয়নত বিশেষ প্ৰভাৱ পেলায়।

**সাক্ষৰতা ঃ** শিক্ষাগত অৰ্হতা আৰু শিক্ষিতৰ হাৰ এখন দেশৰ জনসংখ্যাৰ অন্যতম গুৰুত্বপূৰ্ণ সামাজিক বৈশিষ্ট্য। ইয়াৰ ওপৰত বিশেষকৈ জনসংখ্যাৰ গুণগত মান নিৰ্ভৰ কৰে। এখন দেশৰ শিক্ষিত জনসংখ্যাৰ অনুপাতক আৰ্থ-সামাজিক উভয় দিশতে উন্নয়নৰ সূচক হিচাপে গ্ৰহণ কৰা হয়। সাক্ষৰতা আৰু শিক্ষাগত অৰ্হতাই জনসাধাৰণৰ জীৱন ধাৰণৰ মান, মহিলাৰ সামাজিক মৰ্যাদা, কৰ্মদক্ষতা, বৃত্তিৰ গঠন (Occupational Structure) আদিও নিৰূপণ কৰে। আমাৰ দেশত সাক্ষৰতা বুলিলে জনসংখ্যাৰ ৭ বছৰৰ ওপৰৰ শিক্ষিত লোকক বুজায় যি লিখা পঢ়া জনাৰ লগতে গণনা কৰিবলৈও সক্ষম।

অসম ৰাজ্যত ২০১১ চনৰ লোকপিয়ল অনুসৰি সাক্ষৰতাৰ হাৰ ৭২.১৯ শতাংশ। সৰ্বভাৰতীয় পৰ্যায়ত এই স্থান ২৬ তম (জাতীয় গড় ৭২.৯৯ শতাংশ)। ৰাজ্যখনৰ কামৰূপ মেট্ৰ' (৮৮.৬৬), যোৰহাট (৮১.৩৬) আৰু হাইলাকান্দি (৯৪.৬৭) জিলাত সৰ্বাধিক আৰু ধুবুৰী (৫৯.৩৬), দৰং (৬৬.৮৬) জিলাত সৰ্বনিম্ন সাক্ষৰতাৰ হাৰ লোকপিয়লত গণনা কৰি পোৱা গৈছে। আমাৰ ৰাজ্যৰ সাক্ষৰতাৰ হাৰ নগৰ অঞ্চলত (৮৮.৪৭ শতাংশ) গ্ৰাম্য অঞ্চলতকৈ (৬৯.৩৪ শতাংশ) যথেষ্ট বেছি। সেইদৰে নাৰীৰ তুলনাত (৬৬.২৭) পুৰুষৰ মাজত সাক্ষৰতাৰ হাৰ (৭৭.৮৫) কিছু বেছি। নাৰী আৰু পুৰুষৰ মাজৰ সাক্ষৰতাৰ ব্যৱধান অৱশ্যে ১৯১১ চনৰ তুলনাত বৰ্তমান যথেষ্ট হ্ৰাস হৈছে। ই আমাৰ বাবে সন্তোষৰ বিষয়। এই ব্যৱধান সৰ্বভাৰতীয় পৰ্যায়ত অধিক।

তালিকা—৩

| ৰাজ্য | ১৯৯১ | | ২০০১ | | ২০১১ | |
|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা |
| অসম | ৬১.৮৭ | ৪৩.০৩ | ৭১.২৮ | ৫৪.৬১ | ৭৭.৮৫ | ৬৬.২৭ |
| ভাৰতবৰ্ষ | ৬৪.১৩ | ৩৯.২৮ | ৭৫.২৬ | ৫৩.৬৭ | ৮০.৮৯ | ৬৪-৬৪ |

DAILY ASSAM



**জনসংখ্যাৰ বিতৰণ (Population Distribution) ঃ** এটা অঞ্চলৰ জনসংখ্যাৰ বিতৰণ বিভিন্ন ভৌগোলিক কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে সমতল, সাৰুৱা নদী উপত্যকাত কৃষি-বাণিজ্য আৰু বসতিৰ সুবিধা আৰু পানী যোগানৰ সুচলৰ বাবে জনসংখ্যাৰ সম বিতৰণ হোৱা দেখা যায় আৰু ঘনত্বও অধিক হয়। অসম ৰাজ্যৰ অধিকাংশ অঞ্চল ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্গত বাবে ইয়াৰ প্ৰায়বোৰ জিলাতে জনবসতি ঘন। ইয়াৰ বিশেষকৈ নগৰীয় অঞ্চলসমূহত অতি ঘন জনবসতি দেখা যায়। অসমৰ প্ৰায়বোৰ ডাঙৰ নগৰতে যাতায়াত ব্যৱস্থা উন্নত, শিক্ষা, স্বাস্থ্য, উপাৰ্জনৰ সুযোগ-সুবিধা অধিক আৰু সেইবাবে জন প্ৰব্ৰজনো অধিক। এনে কাৰণতে অসমৰ যিবোৰ জিলাত নগৰীকৰণৰ হাৰ বেছি, তেনেবোৰ জিলাত জনসংখ্যাৰ বসতিও ঘন। উদাহৰণ স্বৰূপে কামৰূপ মেট্ৰ'ত (ঘনত্ব ১৩১৩ প্ৰতি বৰ্গ কিঃ মিঃ), জনবসতিত ঘনত্ব ৰাজ্যখনত গড় জনবসতিৰ ঘনত্বৰ তিনিগুণ বেছি।

অসমত অতি কম জনবসতিৰ জিলাকেইখন হ'ল ডিমা হাচাও (৪৪/বৰ্গ কি.মি.), কাৰ্বি আংলং (৯২/বৰ্গ কি.মি.) আৰু ধেমাজি (২১২/বৰ্গ কি.মি.)। ইয়াৰে প্ৰথম দুখন জিলা পাহাৰীয়া হোৱাৰ বাবে আৰু ধেমাজিত বানপানীৰ প্ৰকোপৰ বাবে প্ৰধানকৈ জনবসতিৰ বিস্তাৰ সেৰেঙা। সেইদৰে যোৱা দুটা দশকত জনপ্ৰব্ৰজন অধিক হোৱাৰ বাবেও আগতে উল্লেখ কৰা অনুসৰি পাঁচখন জিলাত জনবসতি অধিক হাৰত বৃদ্ধি হৈছে।

**জানিবলগীয়া তথ্য**

- জনসংখ্যা বৃদ্ধিৰ কাৰণ— মৃত্যুৰ হাৰতকৈ মানুহৰ জন্মৰ হাৰ বেছি হ'লে আৰু লগতে জন প্ৰব্ৰজন হ'লে।
- জন প্ৰব্ৰজনৰ কাৰণ— আন অঞ্চলৰ তুলনাত এটা অঞ্চলত জলবায়ু, সমতল ভূমি, পানীৰ যোগান আদিৰ সুবিধা অধিক হ'লে সেই অঞ্চলটোলৈ আন অঞ্চলৰ পৰা জন প্ৰব্ৰজন হয়। উদ্যোগ আৰু বাণিজ্যৰ সা-সুবিধা থকা ঠাইলৈও বৰ্তমান জনপ্ৰব্ৰজনৰ হাৰ আটাইতকৈ বেছি হোৱা দেখা যায়।
- জন প্ৰব্ৰজনৰ প্ৰকাৰ— জন প্ৰবজন তিনি প্ৰকাৰৰ হ'ব পাৰে
  (ক) স্থায়ী (খ)অস্থায়ী আৰু দৈনিক হোৱা জন প্ৰব্ৰজন
- জনবসতিৰ ঘনত্ব— প্ৰতি বৰ্গ কিঃ মিঃ মানুহৰ সংখ্যাৰ অনুপাত।
- লিঙ্গ গাঁথনি— প্ৰতি এহেজাৰজন পুৰুষৰ তুলনাত মহিলাৰ অনুপাত।
- বৃত্তিৰ গাঁথনি (Occupation Structure)— বিভিন্ন অৰ্থনৈতিক কাৰ্যত নিযুক্ত থকা লোকৰ সংখ্যা
- কৰ্মঠ জনসংখ্যা— বিভিন্ন উৎপাদনমূলক কাম-কাজত জড়িত বয়স্ক লোকৰ সংখ্যা
- নিৰ্ভৰশীল জনসংখ্যা (Dependant Population)— শিশু আৰু বৃদ্ধলোক যি সকলে নিজৰ দায়িত্ব নিজে বহন কৰিবলৈ অক্ষম, অৰ্থাৎ কোনো উৎপাদনমূলক কামত জড়িত নহয়। এনে লোকৰ সংখ্যা কৰ্মঠ জনসংখ্যাৰ তুলনাত অধিক হ'লে দেশৰ উৎপাদনমূলক কাম-কাজত অৰ্থাৎ অৰ্থনৈতিক উন্নতিত অসুবিধাৰ সৃষ্টি হয়।

## অনুশীলনী

১। চমুকৈ বুজাই লিখা—

(ক) জনসংখ্যাৰ ঘনত্ব

(খ) লিঙ্গ গাঁথনি

(গ) বয়সৰ গাঁথনি

(ঘ) বৃত্তিৰ গঠন

(ঙ) জন প্ৰব্ৰজন

(ঙ) কৰ্মঠ জনসংখ্যা

২। চমুকৈ উত্তৰ দিয়া—

(ক) ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যা কিমান?

(খ) অসমৰ কোনখন জিলাত জনবসতিৰ ঘনত্ব সৰ্বাধিক?

(গ) অসমৰ কোনখন জিলাত জনবসতিত ঘনত্ব সৰ্বনিম্ন?

(ঘ) অসমৰ জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰণ কি?

(ঙ) অসমৰ কোনখন জিলাত সাক্ষৰতাৰ হাৰ সৰ্বাধিক?

(চ) অসমৰ স্থায়ী জন প্ৰব্ৰজনৰ এটা উদাহৰণ দিয়া।

DAILY ASSAM

৩। অসমত জনবসতিৰ ঘনত্ব তুলনামূলকভাৱে দেশৰ গড় হাৰতকৈ অধিক, ইয়াৰ মূল কাৰণ কি?

৪। চমুটোকা লিখা—

(ক) কৰ্মঠ জনসংখ্যা

(খ) জনসংখ্যা বিতৰণ

(গ) অসমৰ সাক্ষৰতা

৫। অসমৰ জনসংখ্যাৰ লিঙ্গ আৰু ধৰ্মীয় গাঁথনিৰ বিষয়ে চমুকৈ লিখা।

৬। বয়সৰ গাঁথনি বুলিলে কি বুজা? অসমৰ জনসংখ্যাৰ ২০১১ চনৰ লোকপিয়ল অনুসৰি বয়সৰ গাঁথনি কেনে ধৰণৰ বুজাই লিখা।

৭। অসমৰ জনসংখ্যাৰ বিতৰণ বিভিন্ন ভৌগোলিক কাৰকৰ প্ৰভাৱ সম্পৰ্কে বহলাই লিখা।

●●●